দৈনিক জনমভূমি

...কীয়া, বিংশতিতম বছৰ, সংখ্যা ১৯৯ ● বৃহস্পতিবাৰ ● ১৪ চ'ত ● ১৯৪৫ শক ● THE DAINIK JANAMBHUMI ● Tinsukia ● Thursday ● Mar...


# ডি এইচ এছ কানৈ মহাবিদ্যালয়ত আন্তঃৰাষ্ট্ৰীয় কৰ্মশালা সম্পন্ন

**ডিব্ৰুগড় ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ২৭ মাৰ্চ ঃ** ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষ, প্ৰাণীবিজ্ঞান বিভাগ, উদ্ভিদবিজ্ঞান বিভাগ তথা অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষ, তিনিচুকীয়া মহাবিদ্যালয়ৰ যৌথ উদ্যোগত আৰু জুল'জিকেল ছ'চাইটি অব আছামৰ সহযোগত আজি এক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰ্মশালা অনুষ্ঠিত হয়। কানৈ মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত 'Competencies Development for Biodiversity Conservation' শীৰ্ষক আন্তঃৰাষ্ট্ৰীয় কৰ্মশালাখনত সমল ব্যক্তি হিচাপে উপস্থিত থাকে থাইলেণ্ডস্থিত মহিদল বিশ্ববিদ্যালয়ৰ জৈৱ বৈচিত্ৰ্য সংৰক্ষণ বিষয়ৰ প্ৰাক্তন প্ৰাধ্যাপক তথা কানৈ মহাবিদ্যালয়ৰ আন্তঃৰাষ্ট্ৰীয় শৈক্ষিক পৰামৰ্শদাতা ৰমেশ জিম্ব বুনাৰত্ন। কানৈ মহাবিদ্যালয়ৰ প্ৰাণীবিজ্ঞান বিভাগৰ অধ্যাপিকা সংক্ৰান্তি দেৱীয়ে আঁত ধৰা কৰ্মশালাখনিত আদৰণী ভাষণ দিয়ে মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° প্ৰিয়দেৱ গোস্বামীয়ে। অধ্যাপিকা ড° চয়নিকা গোস্বামীৰ মংগলাচৰণেৰে শুভাৰম্ভ হোৱা কৰ্মশালাখনিত বন্তি প্ৰজ্বলন কৰে সমল ব্যক্তি ৰমেশ জিম্ব বুনাৰত্নই। কৰ্মশালাখনিত বুনাৰত্নই কয়,—'বিদ্যালয় অথবা মহাবিদ্যালয়ৰ শিক্ষা শেষ কৰি লাভ কৰা এখন প্ৰমাণ পত্ৰই ছাত্ৰ-ছাত্ৰীৰ দক্ষতা প্ৰমাণ নকৰে, প্ৰকৃত দক্ষতাৰ বাবে লাগিব গভীৰ আত্মবিশ্বাস'। তেওঁ কয়,— 'আমি বিদ্যালয় অথবা মহাবিদ্যালয়ত নামভৰ্তি কৰোঁ জ্ঞান আহৰণ আৰু দক্ষতা আহৰণৰ বাবে। আমি সেই জ্ঞান অথবা দক্ষতা আহৰণ কৰোঁ পাঠ্যক্ৰম অধ্যয়নৰ জৰিয়তে। এই পাঠ্যক্ৰমৰ পৰা লাভ কৰা জ্ঞান আৰু দক্ষতাৰ উপৰি আমি পাঠ্যক্ৰমৰ বাহিৰৰ বহু কথা কৰ্মশালা, বক্তৃতানুষ্ঠান আদিত অংশ গ্ৰহণৰ জৰিয়তে আয়ত্ত কৰিব পাৰোঁ। আজি অনুষ্ঠিত হোৱা এই কৰ্মশালাৰ পৰা আমি বহু নজনা কথা শিকিব পাৰিম, যিয়ে আমাক ভৱিষ্যতৰ পৃথিৱীখনত আৰু এখোজ আগুৱাই যোৱাত সহায় কৰিব।' কানৈ মহাবিদ্যালয়ে এনে এক প্ৰয়োজনীয় বিষয়ত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰ্মশালা আয়োজন কৰাৰ বাবে তেওঁ অধ্যক্ষ ড° শশীকান্ত শইকীয়াকে প্ৰমুখ্য কৰি মহাবিদ্যালয় পৰিয়ালক ধন্যবাদ জ্ঞাপন কৰে। আন্তঃৰাষ্ট্ৰীয় কৰ্মশালাখনিত কানৈ মহাবিদ্যালয়ৰ অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° অনুপজ্যোতি ভৰালী, শৈক্ষিক সমন্বয়ক ড° মৃদুল শৰ্মা, প্ৰাণীবিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা ড° সঞ্চিতা বৰুৱা, উদ্ভিদ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা ড° অলকানন্দা বৰুৱা, পদাৰ্থ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক অংশুমান বৰঠাকুৰকে ধৰি মহাবিদ্যালয়ৰ ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা উপস্থিত থকাৰ লগতে তিনিচুকীয়া মহাবিদ্যালয়ৰ দুজন অধ্যাপক, ১১ গৰাকী ছাত্ৰ-ছাত্ৰী আৰু কানৈ মহাবিদ্যালয়ৰ দুই শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। শেষত শলাগ জ্ঞাপন কৰে অধ্যাপিকা ড° সুদৰ্শনা বৰাই।